অধ্যায় ৫ ঃ মৌর্য যুগৰ পৰৱৰ্তী সময়ৰ সংস্কৃতি

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ শুঙ্গ আৰু কান্ব যুগৰ কলা

- সংগম যুগ

৫.৪ গান্ধাৰ শিল্প কলা

৫.৫ মথুৰা শিল্প কলা

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো

৫.৭ অধিক জানিবলৈ

৫.৮ অগ্রগতিৰ খতিয়ান

৫.৯ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মৌর্য ৰাজবংশৰ পৰৱৰ্তী কালত হোৱা সাংস্কৃতিক বিকাশৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- শুঙ্গ আৰু কান্ব সকলৰ অধীনত বিকাশ লাভ কৰা স্থাপত্য কলাৰ বিষয়ে আভাস পাব,
- গান্ধাৰ আৰু মথুৰা শিল্পকলাৰ গুৰুত্বপূর্ণ বৈশিষ্ট্য সমূহ আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি মৌর্য শাসনৰ সময়চোৱাত ভাৰতীয় উপ- মহাদেশৰ এক বৃহৎ অংশত বিস্তাৰিত সাংস্কৃতিক বিকাশৰ বিষয়ে আলোচনা কৰিলো। আমি লগতে মৌর্য যুগত উন্নতি লাভ কৰা সাহিত্য, স্থাপত্য আৰু ভাস্কর্যৰ বিষয়ে জানিব পাৰিলো। এই অধ্যায়ত আমি পৰৱৰ্তী মৌর্য যুগৰ মৌর্য সাম্রাজ্যৰ পতনৰ পৰা গুপ্তসকলৰ উত্থানলৈ যেনে খ্রীষ্টপূর্ব ১৮৭ ৰপৰা ৩০০ খ্রীষ্টাব্দলৈ ভাৰতীয় উপ মহাদেশৰ সাংস্কৃতিক দিশ সমূহ আলোচনা কৰিম। আমি লগতে গান্ধাৰ আৰু মথুৰা শিল্পশৈলীৰ উত্থানৰ বিষয়ে জানিব পাৰিব।

৫.৩ শুঙ্গ আৰু কান্ব যুগৰ কলা

পৰৱৰ্তী মৌর্য যুগত (খ্রীষ্টপূর্ব ১৮৭-৩০০ খ্রীষ্টাব্দ) সাংস্কৃতিক বিকাশৰ ক্ষেত্রত নতুন উপাদানৰ আৱির্ভাৱ ঘটিছিল। এই সময়ছোৱাত সামাজিক আৰু সাংস্কৃতিক দিশত ঘটা সুদূৰপ্রসাৰী পৰিৱর্তনৰ কাৰণে গুৰুত্বপূর্ণ। এই পৰিৱর্তনে জীৱনৰ প্রত্যেকটো ক্ষেত্রক স্পষ্টৰূপত প্র ভাৱিত

কৰাৰ লগতে ভাৰতৰ স্থাপত্য কলাত বহুতো বিদেশী উপাদান সংযোজন হোৱা প্রতিফলিত হয়।

শুঙ্গ সকলৰ শাসনৰ সময়চোৱা ভাৰতীয় কলাৰ ইতিহাসত এটি মাইলৰ খুঁটি আছিল। বেছিভাগ শুঙ্গ শাসকেই মহান নির্মাতা আছিল। শুঙ্গ শাসনৰ সময়চোৱাত স্থাপত্যৰ ক্রমবিকাশৰ নিয়মীয়া উন্নতি সাধন হৈছিল। তেওঁলোকে পাটলিপুত্র, বৈশালী, মথুৰা, কৌশম্বী আৰু তক্ষশীলাত বহুতো সুন্দৰ ৰাজপ্রসাদ নির্মাণ কৰিছিল। একেদৰে, ভাস্কর্যৰ ক্ষেত্রটো ৰাজকীয় পৃষ্ঠপোষকতাত বহুতো পৰিৱর্তনৰ সূচনা হৈছিল। এই সময়চোৱাত ভাস্কর্য কলাৰ নতুন প্রকাৰ দেখা যায় যেনে ভজৰ (Bhaja) চৈত্যগৃহ, বাহৰুটৰ স্তূপ আৰু ভূপালৰ সাঁচী স্তূপ যাক মূলত সম্রাট অশোকে নির্মাণ কৰিছিল। মৌর্য যুগত সম্রাট অশোকে নির্মাণ কৰা সাঁচীৰ স্তূপক বর্তমানৰ ১২০ ফুট ব্যাসলৈ বহলোৱা হৈছিল। শুঙ্গ সকলৰ পৃষ্ঠপোষকতাত ইটা আৰু কাঠৰ সলনি শিলৰ ব্যৱহাৰ হৈছিল। সাঁচীৰ বৃহৎ স্তূপক শিলৰ সঁফুৰাৰে ঢকা, ওলমা বাৰাণ্ডা আৰু ছাতিৰে ওপৰ অংশ সজোৱা আৰু ওখ ভেঁটিত সুন্দৰ শিলৰ আবেষ্টনিৰে ঘেৰা হৈছিল। চাৰিটা মুখ্য স্থানত চাৰিখন প্রৱেশদ্বাৰৰ সংযোজন ঘটোৱা হৈছিল। প্রত্যেকখন প্রৱেশদ্বাৰ বুদ্ধৰ জীৱনৰ লগত আধাৰিত বিভিন্ন ঘটনাৱলী ভাস্কর্যৰে অংকন কৰি সুন্দৰকৈ সুশোভিত কৰি তোলা হৈছিল।



চিত্র ১ঃ প্রাঁচীৰ স্তূপ

উৎস : Google images

বাহৰুটৰ ঢিপৰ স্মৃতিচিহ্নৰ বর্তমান ধ্বংস সাধন হৈছে যদিও এই স্তূপৰ অৱশেষ কলিকতাৰ ভাৰতীয় সংগ্রহালয়ত সংৰক্ষণ কৰা হৈছে। এই স্তূপৰ চাৰিওকাষে ২.১৩ মিটাৰ উচ্চতাৰ আবেষ্টনি শুঙ্গ যুগত নির্মাণ কৰা হৈছিল। শুঙ্গসকলে চাৰিওকাষে তিনিখন সুন্দৰ প্রৱেশদ্বাৰ নির্মাণ কৰিছিল। এই খিনিতে উল্লেখনীয় যে আবেষ্টনীৰ সোঁফালে ওপৰত য়ক্ষীৰ (Yakshi) অৱয়ৱ খোদিত কৰা হৈছে। এই সজ্জাই বাহৰুটৰ স্তূপৰ সৌন্দর্য বৃদ্ধি কৰিছে।

শুঙ্গ যুগৰ কলাৰ আন এক উল্লেখনীয় কীর্তিচিহ্ন হৈছে বুদ্ধগয়াৰ বিখ্যাত মহাবোধি মন্দিৰৰ আবেষ্টনী। মহাবোধি মন্দিৰ অশোকে খ্রীষ্টপূর্ব ২৬০ চনত বুদ্ধগয়াত নির্মাণ কৰিছিল। মহাবোধি মন্দিৰৰ অতিৰিক্ত গাঁথনি শুঙ্গ ৰজাসকলে সাজিছিল।

ব্যৱহাৰ হৈছিল।



জানি থোৱা ভাল

শুঙ্গ ৰাজবংশই খ্ৰীষ্টপূৰ্ব ১৮৭ পৰা ৭৮ খ্ৰী.পূ.লৈ শাসন কৰিছিল। শুঙ্গ ৰাজবংশ পুষ্যমিত্ৰ শুঙ্গই খ্ৰীষ্টপূৰ্ব ১৮৭ চনত প্ৰতিষ্ঠা কৰিছিল। শুঙ্গ সাম্ৰাজ্যৰ ৰাজধানী পাটলিপুত্ৰত অৱস্থিত আছিল। শুঙ্গ বংশৰ শেষ শাসক দেৱভূতিক তেওঁৰ নাপিতে হত্যা কৰি কান্ব বংশৰ শাসন প্ৰতিষ্ঠা কৰিছিল।

শুঙ্গ যুগত চিত্ৰকলাইও বিকাশ লাভ কৰিছিল। স্থাপত্য আৰু ভাস্কৰ্যৰ অৱশেষত অংকন কৰা চিত্ৰসমূহ শুঙ্গ যুগৰ চিত্ৰকলাৰ সুন্দৰ উদাহৰণ। সাঁচী স্তূপৰ প্ৰৱেশদ্বাৰত গছ, চৰাই আৰু জন্তুৰ ছবি অংকন কৰা হৈছিল। এই চিত্ৰসমূহে তেওঁলোকৰ মানবীয়তা আৰু প্ৰকৃতিৰ প্ৰতি থকা গভীৰ মৰমৰ কথা প্ৰতিফলিত কৰিছে। শুঙ্গ বংশৰ শাসনৰ সময়চোৱাত পোৰা মাটিৰ সৰু মূৰ্তি আৰু ফুল-জালি কটা বেৰত লগোৱা ফলকৰ ব্যৱহাৰ ।প্ৰচলন হৈছিল। গংগা উপত্যকাৰ অঞ্চলৰ নগৰীয়া বাসিন্দা পোৰা মাটিৰে মূৰ্তি সজা কলা বিকশিত কৰিছিল। প্ৰত্নতত্ত্ববিদসকলে বৰ্তমানৰ পশ্চিম বংগৰ চন্দ্ৰকেতুগড়ত কিছুমান মনোগ্ৰাহী মূৰ্তি আৰু পোৰা মাটিৰ ফলক বিচাৰি পাইছে। এই পোৰামাটিৰ ফলকবোৰ শুঙ্গ যুগৰ। এই পোৰা মাটিৰ মূৰ্তিবোৰে বিস্তৃত ৰূপত অলংকাৰ আৰু মূৰত কাপোৰ পৰিধানৰ ছবি অংকন কৰিছে।

এইটো উল্লেখনীয় যে শুঙ্গ যুগৰ কলা বহুতো ক্ষেত্ৰত মৌর্য যুগতকৈ কিছু পৃথক আছিল।

- প্ৰথমতে, মৌর্য যুগত নিৰ্মাণ কাৰ্যত কাঠ, বোকা মাটি আৰু ইটা ব্যৱহাৰ কৰা হৈছিল। কিন্তু শুঙ্গ যুগত অট্টালিকা আৰু স্তূপ নিৰ্মাণ কৰোতে এই বস্তুবোৰৰ সলনি শিলৰ টুকুৰা আৰু চাকনি ব্যৱহাৰ কৰা হৈছিল। কেৱল অশোক স্তম্ভ আৰু ইয়াৰ শীৰ্ষ ভাগসমূহ শিলেৰে নিৰ্মিত আছিল।

- দ্বিতীয়তে, এইটোও উল্লেখ কৰা প্ৰয়োজন যে, মৌর্যযুগত কলা ৰাজসভাৰ দ্বাৰা প্ৰভাৱিত আছিল আৰু ৰাজকীয় পৃষ্ঠপোষকতাত বিকশিত হোৱা এক ৰাজকীয়া কলা। কিন্তু, শুঙ্গ যুগত সকলো শ্ৰেণীৰ লোকে কলাৰ পৃষ্ঠপোষকতা কৰিছিল।

- তৃতীয়তে, মৌর্য যুগৰ কলা আছিল 'আমদানিকৃত কলা' পাৰ্চিয়ান গ্ৰীক কলা অংকন কৰাৰ লগতে স্থাপত্যৰ উপাদান আছিল স্তম্ভৰ ওচৰত স্থিত ছালৰ (roof) হলৰ দৰে। কিন্তু শুঙ্গ যুগৰ কলাৰ ঘাই শিপা আছিল ভাৰতীয় আৰু গৰিষ্ঠ সংখ্যকেই আছিল দেশীয় দেৱ-দেৱীৰ আৰু যক্ষ, যক্ষিণীৰ দৰে কলা।

এইদৰে আমি দেখা পালো যে, শুঙ্গ যুগত এক নতুন ধৰণৰ কলা আৰম্ভ কৰা হৈছিল আৰু তেওঁলোকে ভাৰতীয় কলা-সংস্কৃতিৰ উন্নতিৰ ক্ষেত্ৰত যথেষ্ট অৱদান আগবঢ়াই গৈছে।



জানি থওঁ আহক

১) বসুদেৱ (খ্ৰীষ্টপূৰ্ব ৭৫ - ৬৬ চন)

২) ভূমিমিত্ৰ (খ্ৰীষ্টপূৰ্ব ৬৬ - ৫২ চন)

৩) নাৰায়ণ (খ্ৰীষ্টপূৰ্ব ৫২ - ৪০ চন)

৪) চুচৰমান (খ্ৰীষ্টপূৰ্ব ৪০ - ৩০ চন)

কান্বসকলে বেছি তথ্য এৰি থৈ নোযোৱাৰ বাবে তেওঁলোকৰ দিনত শিল্প কলাৰ বিকাশৰ বিষয়ে নিচেই কম জনা যায়। কেৱল মাত্র পুৰাণতেই শুঙ্গ বংশৰ বিষয়ে জনা যায়। শুঙ্গ সকলৰ দিনত বিকাশ লাভ কৰা শিল্প কলায়েই কান্ব সকলৰ দিনতো বিকাশ লাভ কৰিছিল।

অনুশীলনী ৫.১

শুঙ্গ যুগৰ স্থাপত্য আৰু ভাস্কর্যৰ ভংগ্নাৱশেষৰ এখন তালিকা প্রস্তুত কৰক।

.....

.....

.....

.....



অগ্রগতিৰ নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ লিখক ঃ

প্রশ্ন ১ ঃ শুঙ্গ বংশৰ প্রতিষ্ঠাতা কোন আছিল?

_____

প্রশ্ন ২ ঃ 'মহাভাষ্যৰ' লেখক কোন?

_____

প্রশ্ন ৩ ঃ শুঙ্গ বংশৰ শেষ শাসক কোন আছিল?

_____

প্রশ্ন ৪ ঃ বিখ্যাত মহাবোধি মন্দিৰ নির্মাণ কৰা সম্রাটজনৰ নাম লিখক?

_____

প্রশ্ন ৫ ঃ কান্ব বংশৰ প্রতিষ্ঠাতা কোন আছিল?

_____

সংগম যুগ ঃ

মৌর্য সকলৰ পৰৱর্তী শুঙ্গ আৰু কান্বসকলে বিন্ধ্য পর্বতৰ উত্তৰ অঞ্চলত আমি এক উন্নত সংস্কৃতিৰ প্রমাণ পাওঁ। প্রাচীন তামিল অঞ্চলৰ প্রাৰম্ভিক ইতিহাসত সংগম সাহিত্যই প্রাথমিক উৎস যোগাইছে। সংগম শব্দটোৱে পণ্ডিত আৰু কবিৰ এক সমাবেশ বুজায় যি সময়ে সময়ে একগোট হৈ সাহিত্যৰ এক চহকী সংগ্রহ দাঙি ধৰিছিল। যি কি নহওক, কেতিয়া সংগম সাহিত্য ৰচনা কৰা হৈছিল সেইটো নির্ধাৰণ কৰাটো কঠিন, ঐতিহাসিকসকলে মতপোষণ কৰিছে যে সংগম সাহিত্য কর্মৰাজি খ্রীষ্টপূর্ব ১০০ ৰ পৰা ৩০০ খ্রীষ্টাব্দৰ মাজত বিকাশ লাভ কৰিছিল। পৰম্পৰা অনুসৰি, তিনিখন সংগম সাহিত্য সমাবেশ হৈছিল যি ৯,৯৯০ বছৰ বিৰাজ কৰিছিল। আগষ্ট্য মুনিয়ে সভাপতিত্ব কৰা প্রথম সংগম মাদুৰাইত অনুষ্ঠিত হৈছিল। এই সংগমত ৪৪৪৯

জন কবি উপস্থিত আছিল। কাপাতাপু�ৰমত (Kapatapuram) অনুষ্ঠিত হোৱা দ্বিতীয়খন সংগমত তোলকাপ্পিয়াৰে (Tolakappiyar) সভাপতিত্ব কৰিছিল। এই সংগমত ৩৭০০ জন কবিয়ে অংশগ্রহণ কৰিছিল। তৃতীয়খন সংগম মাদু�ৰাইত অনুষ্ঠিত হৈছিল। ইয়াত নাক্কিৰাৰে (Nakkirar) সভাপতিত্ব কৰিছিল আৰু ৪৪৪ জন কবিয়ে অংশগ্রহণ কৰিছিল।

তামিল সংগম সাহিত্য পাঁচখন মহান মহাকাব্যৰ বাবে বিখ্যাত। এই মহাকাব্য কেইখনৰ ৰচনাকাল খ্রীষ্টপূর্ব প্রথম শতিকাৰ পৰা খ্রীষ্টাব্দ তৃতীয় শতিকালৈ আছিল বুলি বিশ্বাস কৰা হয়, এই মহাকাব্য কেইখন সংগম যুগত বিন্ধ্য পর্বতৰ দক্ষিণ অঞ্চলৰ জনসাধাৰণৰ সামাজিক, ধর্মীয়, সাংস্কৃতিক আৰু শৈক্ষিক জীৱনৰ ঐতিহাসিক সমল হিচাপে পৰিগণিত হৈছে।

পাঁচখন মহান মহাকাব্যৰ ভিতৰত প্রথম তিনিখন মহাকাব্য হৈছে ইলাংগু আদিগেলৰ চিলাপ্পাদিকৰম (Shilppadikaram), চিথালাই চাট্টানাৰৰ মণিমেকেলাই আৰু তিৰুটাক্কাটেৰৰ (Tirutakkateva) জীৱক চিন্তামণি। আন দুখন মহাকাব্য হৈছে বালয়াপথী (Valayapathi) আৰু কুণ্ডালাকেচি। এইটো উল্লেখ কৰা প্রয়োজন যে এজন অগ্যাত জৈন সন্ন্যাসীয়ে বালয়াপথী ৰচনা কৰাৰ লগতে কুণ্ডালাকেচি মহাকাব্যৰ লেখক আছিল নাগুথানাৰ (Naguthanar)। এই মহাকাব্যৰ উপৰি ব্যাকৰণৰ বিখ্যাত গ্রন্থ 'টোক্কাপ্পিয়ম' (Tokkappiyam) টোলাকাপ্পিয়াৰে (Tolakappiyar) এই সময়চোৱাত ৰচনা কৰিছিল। সংগম যুগৰ আন বিখ্যাত গ্রন্থসমূহ হৈছে কালাভলি নাৰপাথু, আইংগুৰুবুৰু আৰু ইনিয়াভাই নাৰপাথু।

সংগম যুগত সাহিত্যৰ প্রকাশৰাজিৰ মূল মাধ্যম আছিল তামিল ভাষা। কালাভৰচ (kalabhras) সকলে উত্তৰ দিশৰপৰা অভিযান চলোৱাৰ লগে লগে প্রায় খ্রীষ্টাব্দ তৃতীয় শতিকাত সংগম সাহিত্যৰ সমাপ্তি ঘটে।

৫.৪ গান্ধাৰ শিল্প শৈলী

পৰৱর্তী মৌর্যযুগত ভাস্কর্যৰ ক্ষেত্রত এক উল্লেখনীয় উন্নতি সাধন হৈছিল। খ্রীষ্টপূর্ব ১০০ চনৰপৰা ৩০০ খ্রীষ্টাব্দলৈ দুই প্রকাৰৰ কলা শৈলীৰ উত্থান ঘটিছিল - গান্ধাৰ শিল্প শৈলী আৰু মথুৰা শিল্প শৈলী।

গান্ধাৰ শিল্প শৈলীৰ আৰম্ভণি আৰু বিকাশ ভাৰতীয় উপ-মহাদেশৰ উত্তৰ দক্ষিণ অংশত অৱস্থিত গান্ধাৰ ৰাজ্য চিহ্নিত কৰিব পাৰি' যি অঞ্চলত বেক্ট্রিয়ান গ্রীকসকলৰ আক্রমণৰ ফলস্বৰূপে হেলিনিষ্টিক গ্রীক সংস্কৃতিৰ বিকাশ সাধন হৈছিল। আলেকজেণ্ডাৰৰ এছিয়া সাম্রাজ্যৰ উত্তৰাধিকাৰ হিচাপে পোৱা চেলুকচৰ মৃত্যুৰ পাছত ক্ষুদ্র স্বাধীন ৰাজ্য বেক্ট্রিয়া গ্রীকসকলৰ পৰা স্বাধীন হৈছিল কিন্তু গ্রীচৰ লগত সাংস্কৃতিক সম্পর্ক চলি আছিল। কণিষ্কৰ শাসন কালত বৌদ্ধ ধর্মাৱলম্বী সকল দুটা স্পষ্ট ভাগত ভাগ হৈছিল, মহাযান পন্থীসকলে গৌতম বুদ্ধক ধর্মীয় গুৰু হিচাপে নহয় দেৱতা হিচাপে উপাসনা কৰিছিল। তেওঁলোকে বুদ্ধ আৰু বুদ্ধিসত্তাৰ প্রতীক আৰু ভাস্কর্য নির্মাণ কৰিছিল। গান্ধাৰ বর্তমান আফগানিস্তানৰ কাবুল আৰু স্বাত নদীৰ পাৰত অৱস্থিত

আৰু পাকিস্তান এই শিল্পকলাৰ মূল কেন্দ্ৰ হিচাপে পৰিগণিত হৈছিল। গান্ধাৰৰ উপৰি এই শিল্পকলাৰ নিদৰ্শন বামিয়াম, বেগ্ৰাম, তক্ষশীলা, জলচাবাদ আৰু হাড্ডাত উদ্ধাৰ হৈছে। গান্ধাৰ শিল্পকলাক গ্ৰীক বৌদ্ধ বা ইণ্ডো-গ্ৰীক কলা হিচাপে জনা যায় কিয়নো ইয়াৰ মূল বৈশিষ্ট্য আছিল গ্ৰীক, ৰোমান, চিনথিয়ান, পার্চিয়ান আৰু দেশীয় কলাৰ উপাদানৰ সংমিশ্ৰণ। গান্ধাৰৰ বুদ্ধ মূৰ্তিবোৰত বিদেশী প্ৰভাৱ স্পষ্টকৈ দেখা পোৱা যায় যি গ্ৰীক হেলেনিষ্টিক পদ্ধতিৰ দ্বাৰা প্ৰভাৱিত হৈছিল কিন্তু ইয়াৰ বিষয়বস্তু আছিল সম্পূৰ্ণ ভাৰতীয়। গান্ধাৰৰ বুদ্ধ মূৰ্তি মুখাৰয়ব আৰু কাপোৰৰ আচ্ছাদনৰ ক্ষেত্ৰত গ্ৰীক দেৱতা এপ'লৰ লগত মিল আছে। সেইবিলাক যথেষ্ট পেশীবহুল আৰু বোদ্ধিস্বত্বৰ সাধাৰণতে গোঁফ আৰু পাগুৰি আছিল। এনেকৈ গান্ধাৰ ভাস্কৰ্যত দেশীয় আৰু বিদেশী উপাদানৰ সংযোজন ঘটিছিল। উপিন্দৰ সিঙে মন্তব্য আগবঢ়াইছে যে -

"The Gandhara school, like Kushana coinage, shows a marked syncretism. Its theme were Indian but its style Graeco-Roman. Images of Budhas and Budhisattvas were favourite themes; hence it is sometimes referred to as Graeco-Buddhist art. The Graeco-Roman influence is clear in the facial features and curly or wavy hair, the muscular body, and the fine, deeply delienated folds of the robes." (Singh, Upinder, 2009. p-463).



জানি থোৱা ভাল

হেলিনিষ্টিক শব্দটোৱে সূচাই যে ই হেলচ (Hellas) বা গ্ৰীচৰ দ্বাৰা প্ৰভাৱিত হৈছিল।

সাধাৰণতে, গান্ধাৰ ভাস্কৰ্য সমূহ শিলেৰে নিৰ্মিত। যি কি নহওক, আৰম্ভণিৰ সময়চোৱাত নীলা চিষ্ট (এবিধ শিল' আৰু সেউজীয়া ফিলাইট (এবিধ ৰূপান্তৰিত শিল) আছিল কাৰিকৰ বা শিল্পীসকলে ব্যৱহাৰ কৰা প্ৰধান পদাৰ্থ। প্ৰথম শতিকাৰ পৰা তৃতীয় শতিকালৈ চূণশিলৰ প্লাষ্টাৰও (Stucco) শিলৰ ঠাইত ব্যৱহাৰ হৈছিল। ভাস্কৰ্যৰ মূৰ্তিবোৰৰ ওঁঠত ৰঙা ৰং আৰু চকু আৰু চুলিত ক'লা ৰং ব্যৱহাৰ কৰা হৈছিল। গান্ধাৰৰ ভাস্কৰ্যত বুদ্ধ মূৰ্তিবোৰৰ হাতৰ চাৰিটা ভংগীমা বা মুদ্ৰা দেখা যায়। সেইসমূহ হৈছে - অভয় মুদ্ৰা (ভয় বা শংকামুক্ত), ধ্যান মুদ্ৰা (ধ্যান), ধৰ্ম চক্ৰ প্ৰৱৰ্তন মুদ্ৰা (ধৰ্ম প্ৰচাৰ চলোৱা) আৰু ভূমিস্পৰ্শ মুদ্ৰা (পৃথিৱীবাসীক সাক্ষী হিচাপে মতা যে বুদ্ধই সঁচা কথা কৈছে)। তদুপৰি বুদ্ধৰ অৱয়ৱবোৰ সঁচা ৰূপত ভাৰতীয় আছিল। পদ্মাসনত থকা বুদ্ধৰ মূৰ্তিও গান্ধাৰ শিল্পকলাৰ সময়ত নিৰ্মাণ কৰা হৈছিল।

বুদ্ধৰ মূৰ্তিৰ উপৰি গান্ধাৰ ভাস্কৰ্যত বোদ্ধিস্বত্ব মূৰ্তিও খোদাই কৰা হৈছিল। দুভাগ্যবশতঃ)ইয়াৰ সকলো চিনাক্তকৰণ কৰাটো সম্ভৱ নহয়। যি কি নহওক, অভলোকিতেশ্বৰ

(পদ্মপাণি) (Avalokiteshvara) এক জনপ্রিয় মূর্তি আছিল। বোদ্ধিস্বত্ব সমূহ সৰহীয়াকৈ অলংকাৰেৰে সজোৱা হৈছিল। ভাৰতীয় উপ-মহাদেশৰ উত্তৰ পশ্চিমৰ এক বিস্তৃত এলেকাত গান্ধাৰ শিল্পকলাৰ অলপমান ধাতুৰ ভাস্কর্য উদ্ধাৰ হৈছে। বর্তমান পেছোৱাৰৰ চাহ-জী-কী-ধেৰীৰ (Shah-ji-ki-dheri)স্তূপৰ পৰা ধাতুৰ স্মাৰক বস্তু ৰখা আধাৰ উদ্ধাৰ কৰা হৈছে। ইয়াত বুদ্ধ বা বুদ্ধিস্বত্বৰ স্মৃতিচিহ্ন আছিল।

গান্ধাৰ শিল্পকলাৰ প্রধান বৈশিষ্ট্য ঃ

- গান্ধাৰ শিল্পকলাই খ্রীষ্টপূর্ব প্রথম শতিকাৰ পৰা খ্রীষ্টাব্দ চতুর্থ শতিকালৈ ভাৰতীয় উপ-মহাদেশৰ উত্তৰ পশ্চিম অঞ্চলত বিকাশ আৰু বিস্তৃতি লাভ কৰিছিল।
- গান্ধাৰ শিল্পকলাৰ দেহ আৰু কাপোৰৰ আচ্ছাদনত প্রকৃত ছবি তুলি ধৰিছিল। মূর্তিবোৰৰ পেশীবহুল আৰু পকোৱা চুলি আছিল। গান্ধাৰ শিল্পকলাৰ সুস্পষ্ট ভাঁজৰ ৰেখাৰ সৈতে ডাঠ কাপোৰৰ আচ্ছাদনৰ প্রতিফলন গান্ধাৰ শিল্প কলাৰ এক স্বকীয় বৈশিষ্ট্য।
- গান্ধাৰ ভাস্কর্য শৈলীৰ মূর্তিবোৰ পেশীবহুল শৰীৰ আৰু চোলাবোৰ স্পষ্ট ভাঁজৰ হিচাপে চিনাক্তকৰণ কৰা হৈছে। মানুহৰ শৰীৰ সঠিক শাৰিৰীক ধৰণ-কৰণৰ সৈতে বাস্তৱ ৰূপত অংকন কৰা হৈছিল।
- গান্ধাৰ শিল্পকলা গ্রীক' ৰোমান আৰু দেশীয় শৈলীৰ সংযোজন আছিল। গান্ধাৰ শিল্পীসকলে বুদ্ধৰ মূর্তিবোৰ গ্রীক-ৰোমান শৈলীত নির্মাণ কৰিছিল। বুদ্ধৰ মুর্তিবোৰ দেখিবলৈ গ্রীক দেৱতা এপ'লৰ দৰে আছিল।
- মহাযান হিচাপে জনাজাত বৌদ্ধধর্মৰ এটা ভাগ গান্ধাৰ শিল্পকলাৰ মূল অনুপ্রেৰণা আছিল।
- গান্ধাৰ শিল্পকলাৰ আন এটা বৈশিষ্ট্য আছিল বোদ্ধিস্বত্বৰ ভাস্কর্য। অভলোকিতেশ্বৰ (Avalokiteshvara) আৰু মৈত্রিয়ীৰ মুর্তিবোৰ সুন্দৰ অলংকাৰেৰে সজোৱা হৈছিল।
- আড়ম্বৰপূর্ণভাৱে কাঠত খোদিত কৰা, সৰহীয়াকৈ অলংকাৰ লগোৱা আৰু জটিল প্রতীক গান্ধাৰ শিল্প কলাৰ আন এটা বৈশিষ্ট্য আছিল।

চিত্র ২ ঃ

গান্ধাৰত অভয়া মুদ্রাত বোদ্ধিস্বত্ব অভলোকিতেস্বৰৰ মূর্তি



উৎস ঃ Google images

৫.৫ মথুৰা শিল্প শৈলী

পৰৱর্তী মৌর্য যুগত মথুৰা শিল্পশৈলীৰ বিকাশ সাধন হৈছিল। উত্তৰ প্রদেশত অৱস্থিত মথুৰা কুষাণসকলৰ দক্ষিণৰ ৰাজধানী চহৰ আছিল। এইটো উল্লেখনীয় যে মথুৰা বেহা-বেপাৰ, ধর্মীয় কাম-কাজ, শিল্প নৈপুণ্যতা আৰু শিল্পীসুলভ সৃষ্টিৰ বাবে বিখ্যাত আছিল। মথুৰা সিল্পকলাৰ উৎপত্তি আৰু বিকাশ শুঙ্গ যুগতেই আৰম্ভ হৈছিল আৰু গুপ্ত যুগত ই উচ্চ শিখৰত উপনীত হৈছিল। প্রকৃতিগতভাৱে মথুৰা শিল্পকলাৰ আত্মা আছিল ভাৰতীয়। এইটো কোৱা হয় যে মথুৰা শিল্পকলাৰ প্রধান উল্লেখযোগ্য কেন্দ্রসমূহ আছিল মথুৰা, সাৰনাথ আৰু কৌশম্বী। চিক্রীৰ (Sikri) ফুটফুটীয়া ৰঙা বালিশিল প্রধানকৈ বিভিন্ন মূর্তি খোদাই কৰাত ব্যৱহাৰ কৰা হৈছিল। গান্ধাৰ ভাস্কর্যৰ কিছুমান গুৰুত্বপূর্ণ মূর্তি হৈছে কণিষ্ক, পাৰখাম যক্ষ, মোহালি বোদ্ধিস্বত্ব, বজ্রপাণি আৰু বহি থকা কুবেৰ। বহুতো হিন্দু দেৱ দেৱীৰ মূর্তিও মথুৰা অঞ্চলত নির্মাণ কৰা হৈছিল আৰু এই ভাস্কর্যৰ ভগ্নাৱশেষবোৰত সূর্য, শিৱ, বিষ্ণু আৰু দুর্গাৰ মূর্তি অন্তর্ভক্ত আছিল। কিছুমান জৈন মূর্তি যেনে বহি থকা তীর্থংকৰৰ মূর্তিও উদ্ধাৰ কৰা হৈছে।

এইটো উল্লেখনীয় যে গান্ধাৰ শিল্পশৈলীৰ উত্থানৰ আগতে কেতিয়াও বুদ্ধক মানৱীয় গঠনত অংকন কৰা হোৱা নাছিল। সাঁচী, বাহৰুট আৰু বুদ্ধগয়াত বুদ্ধক প্রতীকি ৰূপত অংকন কৰা হৈছিল। সাধাৰণতে, মহাযানপন্থীৰ আগমণৰ লগে লগে বুদ্ধৰ মূর্তি মানৱীয় গঠনত নির্মাণ কৰা হৈছিল। কিন্তু গান্ধাৰ শিল্পকলাৰ বুদ্ধ যদিও প্রতীকি ৰূপত আছিল, ই বেছিকৈ গ্রীক দেৱতী এপ'লৰ সদৃশ আছিল। কিন্তু মথুৰাৰ বুদ্ধ মূর্তিবোৰ গঠন আৰু কার্যকৰীকৰণ সম্পূর্ণৰূপে দেশীয় আছিল, যেনে কোনো বিদেশী উপাদান নথকা সম্পূর্ণৰূপে ভাৰতীয়, সম্ভৱতঃ কুষাণ ৰজা

আৰু কিছুমান বোদ্ধিস্বত্ব মূর্তিৰ বাহিৰে। পাছৰ (কুষাণ ৰজা আৰু বোদ্ধিস্বত্বৰ) মূর্তিবোৰ বিশাল আকাৰৰ আৰু চিহ্নিয়ান মুখাৱয়ৱ প্রদর্শন কৰিছিল। উপিন্দৰ সিঙৰ মতে, - "মথুৰা শিল্পৰ প্রকৃত নিদর্শনৰ অন্তর্ভুক্ত আছিল বহি থকা অৱস্থাৰ বুদ্ধ মূর্তি। তাৰতম্য থাকিলেও বুদ্ধ সাধাৰণতে সোঁহাত ওপৰলৈ দাঙি অভয়মুদ্রাত সিংহাসনত ভৰি কোঁচাই বহিছিল।" (Singh, Upinder: 2009: p-464)

শ্রাৱস্তী (Sravasthi)আৰু সাৰনাথত থিয় হৈ থকা বুদ্ধৰ মূর্তি মথুৰা শিল্পকলাৰ আন এক নিদর্শন। ওপৰত উল্লেখ কৰা ধৰণে উত্তৰ ভাৰতত মথুৰা শিল্পকলা স্বকীয় কলাসূলভ শৈলীৰে দেশীয় ধৰণেৰে বিকাশ লাভ কৰিছিল।

মথুৰা শিল্পকলাৰ গুৰুত্বপূর্ণ বৈশিষ্ট্য সমূহ ঃ

- ভাস্কর্যসমূহৰ দৈহিক সৌন্দর্য আৰু কামাতুৰ অভিব্যক্তি।
- মথুৰা জৈন ধর্মৰো এক পৱিত্র স্থান আছিল। চাৰিজন জৈন তীর্থংকৰৰ সর্বতোভদ্রিকাৰ মূর্তি এই শিল্পকলাৰ উৎকৃষ্ট উদাহৰণ।
- যথেষ্ট সংখ্যক কামাতুৰ আৰু যৌন আবেদনপূর্ণ নাৰী মূর্তি মথুৰা শিল্প কলাৰ অবিচ্ছেদ্য বৈশিষ্ট্য আছিল। সেই সমূহৰ ভিতৰত দুর্গা আৰু লক্ষ্মী মথুৰা শিল্পকলাৰ আটাতকৈ গুৰুত্বপূর্ণ নিদর্শন।
- কুষাণ শাসকসকলে মথুৰা শিল্পকলাক সক্রিয়ভাৱে পৃষ্ঠপোষকতা আগবঢ়াইছিল যিহেতু কুষাণ ৰজা কণিষ্ক আৰু ৱেমা কদফিচিচব বহুতো মূর্তিৰ উদ্ধাৰৰ প্রমাণ পোৱা যায়। এইটো উল্লেখযোগ্য যে কণিষ্কৰ মূৰবিহীন মূর্তি মথুৰা শিল্পকলাৰ ভাস্কর্যসমূহৰ গুৰুত্বপূর্ণ নিদর্শন।

চিত্র ৩ ঃ অভয়া মুদ্রাত বুদ্ধ



উৎস ঃ Google images

অনুশীলনী ৫.২

গান্ধাৰ আৰু মথুৰা শিল্পকলাৰ গুৰুত্বপূৰ্ণ স্থানসমূহৰ এখন তালিকা প্ৰস্তুত কৰক -

.....

.....

.....

.....



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন ৬ ঃ শুদ্ধ-অশুদ্ধ উল্লেখ কৰক।

ক) মথুৰাৰ তীৰ্থংকৰৰ মূৰ্তিবোৰৰ সুন্দৰকৈ নিৰ্মাণ কৰা শৰীৰ আছিল।

খ) গান্ধাৰ শিল্পকলাৰ পুৰুষ মূৰ্তিবোৰৰ পেশীবহুল শৰীৰ আছিল।

গ) শুঙ্গ ৰাজবংশই মথুৰা শিল্পকলাৰ পৃষ্ঠপোষকতা কৰিছিল।

প্ৰশ্ন ৭ ঃ খালী ঠাই পূৰ কৰক -

ক) গান্ধাৰ শিল্পকলা ..... আৰু দেশীয় শৈলীৰ সংযোজন আছিল।
(গ্ৰীক-ৰোমান / ইছলামিক)

খ) ..... মথুৰা শিল্পকলাৰ পৃষ্ঠপোষকতা কৰিছিল।
(কান্ব ৰাজবংশ/কুষাণ ৰাজবংশ)



৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে—

- পৰৱৰ্তী মৌৰ্য যুগত সাহিত্য আৰু শিল্পকলাৰ বিশেষকৈ ভাস্কৰ্যৰ ক্ষেত্ৰত যথেষ্ট উন্নতি সাধন হৈছিল। পৰৱৰ্তী মৌৰ্য যুগত দুই প্ৰকাৰৰ শিল্পকলা যেনে গান্ধাৰ আৰু মথুৰা শিল্পকলাৰ বিকাশ সাধন হৈছিল।
- শুঙ্গ আৰু কান্ব বংশৰ ৰাজত্বকালত স্থাপত্য আৰু ভাস্কৰ্যৰ ক্ষেত্ৰত যথেষ্ট উন্নতি সাধন হৈছিল। শুঙ্গ বংশই সক্ৰিয়ভাৱে কলাৰ পৃষ্ঠপোষকতা কৰিছিল। আচলতে, বিভিন্ন স্থাপত্য আৰু ভাস্কৰ্যৰ ৰূপ যেনে স্তম্ভ, স্তূপ, গুহা, পোৰা মাটিৰ মূৰ্তি ইত্যাদি এই যুগত যথেষ্ট পৰিমাণে নিৰ্মাণ কৰিছিল। শুঙ্গ শিল্পকলা ভাৰতীয় মানুহৰ দেশীয় শিল্প শৈলীৰ প্ৰথম প্ৰয়াস আছিল আৰু ইয়াৰ হৰপ্পান সংস্কৃতিৰ সৈতে ব্যতিক্ৰম আছিল।

- গান্ধাৰ শিল্প কলা গ্রীক-ৰোমান আৰু দেশীয় শৈলীৰ মিশ্রণ আছিল। মুখ আৰু দৈহিক বৈশিষ্ট্য সমূহ গ্রীক-ৰোমান আর্হিত নির্মাণ কৰা হৈছিল।
- এক সম্পূর্ণ দেশীয় কলা কুষাণসকলৰ অধীনত উত্থান হৈছিল যি খ্রীষ্টাব্দ চতুর্থ শতিকালৈ বিকাশ লাভ কৰিছিল। ই আছিল মথুৰা শিল্পশৈলী।



৫.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Harle, J.C. (1986). *Art and Architecture of the Indian Subcontinent.* New York, NY : Penguin

2. Khurana, K.L. (1995. *History of India.* New Delhi, India : Educational Publishers.

3. Sharma, R.S. (2005). *India's Ancient part.* New Delhi, India : Oxford University Press.

4. Singh, Upinder (2009). *A History and Early Medieval India : From the Stone Age to the 12th century,* New Delhi, India : Pearson Education India.

5. Thapar, Romila. (2018). *Indian Culture as Heritage : Contemporary Past.* Delhi, India : Aleph Book Company.



৫.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ পুষ্যমিত্র।

২ নং প্রশ্নৰ উত্তৰ ঃ পতঞ্জলী

৩ নং প্রশ্নৰ উত্তৰ ঃ দেৱভূতি

৪ নং প্রশ্নৰ উত্তৰ ঃ মহান মৌর্য সম্রাট অশোক।

৫ নং প্রশ্নৰ উত্তৰ ঃ বসুদেৱ।

৬ নং প্রশ্নৰ উত্তৰ ঃ

ক) সঁচা।

খ) সঁচা।

গ) মিছা।

৭ নং প্রশ্নৰ উত্তৰ ঃ

ক) গ্রীক-ৰোমান।

খ) কুষাণ ৰাজবংশ।



৫.৯ আদর্শ প্রশ্নাৱলী

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ১ ঃ শুঙ্গ যুগ কেতিয়া আৰম্ভ হৈছিল?

প্রশ্ন নং ২ ঃঅষ্টাধ্যায়ীৰ লেখক কোন?

প্রশ্ন নং ৩ ঃটোক্কাপিয়মৰ লেখক কোন আছিল?

খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ১ ঃ মনুস্মৃতিৰ বিষয়ে এক চমু টোকা লিখক।

প্রশ্ন নং ২ ঃ মৌর্য আৰু শুঙ্গ যুগৰ শিল্পকলাৰ পার্থক্যসমূহ কি আছিল?

প্রশ্ন নং ৩ ঃ সংগম যুগৰ পাঁচখন মহাকাব্য কি কি আৰু ইয়াৰ ৰচক কোন কোন আছিল?

প্রশ্ন নং ৪ ঃ মথুৰা শিল্পকলাৰ বুদ্ধৰ মূর্তিৰ বিষয়ে কি জানে লিখক।

প্রশ্ন নং ৫ ঃ চমু টোকা লিখক -

i) শুঙ্গ ৰাজবংশৰ দিনত বিকাশ লাভ কৰা পোৰামাটিৰ শিল্প আৰু চিত্র।

ii) গান্ধাৰ ভাস্কর্যৰ মূল বৈশিষ্ট্য।

গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰসমূহ ৫০০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ১ ঃশুঙ্গ যুগৰ কলাৰ বিকাশৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন নং ২ ঃসংগম সাহিত্যৰ উৎপত্তি আৰু বিকাশৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন নং ৩ ঃগান্ধাৰ শিল্পকলাৰ উৎপত্তি আৰু বিকাশৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন নং ৪ ঃমথুৰা শিল্পকলাৰ মূল বৈশিষ্ট্য সমূহ উল্লেখ কৰক।

****